**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত হ'বলগীয়া চতুৰ্থ বৰ্গৰ পদসমূহৰ পৰীক্ষাৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলে কাইলৈৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে ইতিমধ্যে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in ৰ পৰা ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে, অহা ২৭ অক্টোবৰত চতুৰ্থবৰ্গৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। সেইদিনা পুৱা ৯ বজাৰ পৰা চাৰে ১১ বজালৈ আই টি আই উত্তীৰ্ণসকলকে ধৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰ্যায়ৰ পদসমূহৰ বাবে আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰি বজালৈ অষ্টম শ্ৰেণী পৰ্যায়ৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। নিৰ্দেশনাত উল্লেখ থকা অনুসৰি লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে আধাৰ কাৰ্ড, পেন কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো এখন ফটোযুক্ত পৰিচয়-পত্ৰ, প্ৰৱেশপত্ৰৰ সৈতে দেখুৱাব লাগিব লগতে প্ৰৱেশপত্ৰৰ সন্নিৱিষ্ট পৰীক্ষাৰ নীতি-নিয়মসমূহ প্ৰাৰ্থীসকলক মানি চলিবলৈ কোৱা হৈছে। চতুৰ্থবৰ্গৰ মুঠ পদৰ সংখ্যা হৈছে পাঁচ হাজাৰ আৰু অহা ২৭ অক্টোবৰত মুঠ ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০০০০০

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্য আজি পুৱা পৰ্যটকৰ বাবে মুকলি কৰা হয়। বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু মন্ত্ৰী পীযূষ হাজৰিকাই অভয়াৰণ্যখন আনুষ্ঠানিকভাৱে মুকলি কৰে। দেশী-বিদেশী পৰ্যটকৰ বাবে এইবাৰ ২০ খন জীপ ছাফাৰী আৰু ১৩টা বিভাগীয় হাতী ছাফাৰী সাজু কৰা হৈছে। উল্লেখযোগ্য যে সম্প্ৰতি ১০৭টা গঁড়, ৫ শতাধিক বনৰীয়া ম'হ, সহস্ৰাধিক বন গাহৰিৰ উপৰি প্ৰায় ৩৮৫টা প্ৰজাতিৰ দেশী-বিদেশী পৰিভ্ৰমী পক্ষীৰ বিচৰণথলী হিচাপে পৰিগণিত অভয়াৰণ্যখন পৃথিৱীৰ ভিতৰতে আটাইতকৈ কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্য। আজি অভয়াৰণ্যখন মুকলি অনুষ্ঠানত মায়ঙৰ ৰজা তৰণীকান্ত সিংহ, কেইবাগৰাকীও বন বিভাগৰ শীৰ্ষ বিষয়া আৰু স্থানীয় লোক উপস্থিত থাকে। অভয়াৰণ্যখন মুকলি কৰি মন্ত্ৰী পাটোৱাৰীয়ে এইদৰে কয়-

**- বাইট -**

০০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ সময়ছোৱাত ৰাজ্যখনত ৮৪৩টা পথ দুৰ্ঘটনা সংঘটিত হোৱা বুলি জৰুৰীকালীন সেৱা প্ৰদানকাৰী মৃত্যুঞ্জয় ১০৮ সেৱাই সদৰি কৰিছে। প্ৰতিষ্ঠানটোৱে আজি প্ৰকাশ কৰা অনুসৰি যোৱা ১১ অক্টোবৰত সৰ্বাধিক ১৫১টা আৰু ১২ অক্টোবৰত ১৮৭টা দুৰ্ঘটনা সংঘটিত হয়। ইয়াৰ ভিতৰত শোণিতপুৰ জিলাত সৰ্বাধিক ৬৬টা দুৰ্ঘটনা সংঘটিত হয়। কামৰূপ জিলাতো এই সময়ছোৱাত ৬০টা দুৰ্ঘটনা সংঘটিত হয়। ইপিনে পূজাৰ সময়ছোৱাত যোৱা ১২ৰ পৰা ১৪ অক্টোবৰলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু

হাস্পতালৰ কেজুৱেলিটিত ১২০টা পথ দুৰ্ঘটনা পঞ্জীভুক্ত হয়। আঘাতপ্ৰাপ্ত ২৪ জন লোক এতিয়াও চিকিৎসাধীন হৈ আছে। পঞ্জীয়ন হোৱা পথ দুৰ্ঘটনাসমূহৰ ভিতৰত এজন লোকক মৃত অৱস্থাত চিকিৎসালয়লৈ অনা হৈছিল। হাস্পতালখনৰ অধীক্ষক ডা০ অভিজিৎ শৰ্মাই প্ৰকাশ কৰা অনুসৰি ১২০টা দুৰ্ঘটনাৰ ভিতৰত ৫৯টা গুৱাহাটী মহানগৰীৰ ভিতৰত আৰু ৬১টা মহানগৰীখনৰ বাহিৰত সংঘটিত হৈছে। দুৰ্ঘটনাত আহতসকলৰ ভিতৰত ১১২ জন পুৰুষ আৰু ৮ গৰাকী মহিলা আছে বুলি অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে নৱজাতকৰ পৰা ১০ বছৰ বয়সৰ ভিতৰৰ ৮টি দুৰ্ঘটনাত আহত হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অৱশ্যে সজাগতাৰ বাবে যোৱা বছৰতকৈ এইবাৰ দুৰ্ঘটনাৰ সংখ্যা কিছু কম হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০

ডেৰন এছিমগলু, ছাইমন জনছেন আৰু জেইমছ ৰবিনছনলৈ ২০২৪ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। দেশৰ সমৃদ্ধিক সাকাৰ কৰাৰ ক্ষেত্ৰত সামাজিক সংস্থাসমূহৰ ভূমিকা সন্দৰ্ভত কৰা যুগান্তকাৰী গৱেষণাৰ বাবে তেওঁলোকলৈ এই সন্মান আগবঢ়োৱা হৈছে। অৰ্থনীতিৰ পুৰস্কাৰ ঘোষণা কৰি ৰয়েল ছুইডিছ একাডেমী অফ ছাইন্সেজৰ ন'বেল সমিতিয়ে দেশৰ অৰ্থনৈতিক বিকাশ, অসমানতা হ্ৰাস আৰু আইনৰ শাসন উন্নীতকৰণৰ ক্ষেত্ৰত সামাজিক প্ৰতিষ্ঠানসমূহৰ অৱদানৰ সন্দৰ্ভত তিনিওগৰাকী অৰ্থনীতিবিদৰ গৱেষণাক প্ৰশংসা কৰে।

০০০০০০০

মৰিগাঁও জিলা প্ৰশাসনে আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাঁও জিলা দিৱস উদযাপন কৰিছে। এই উপলক্ষে আজি পুৱা পতাকা উত্তোলন আৰু সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰা হয়। এইবাৰ এই দিৱসত কৃষি আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰ, উদ্যান শস্য, কলা-সংস্কৃতি আৰু আৰ্থসামাজিক প্ৰতিটো দিশ সামৰিলৈ বিকাশৰ নতুন ধাৰাৰে জিলাখনক আগবঢ়াই লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। গৱেষণামূলক কৰ্মপন্থা আৰু নাগৰিকসকলৰ ঐক্যবদ্ধ প্ৰয়াসেৰে জিলাখনৰ উন্নয়নৰ সম্ভাৱনাসমূহ চিনাক্ত কৰাৰ বাবে এই দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী লোৱা হৈছে।

০০০০০০০

**সমাপ্ত**